# অসম আদিত্য

RNI REGN. No. :
epaper.as
Portal : www
e-mail : ason

■ ২৭ চ'ত, ১৯৪৬ শক ■ বুধবাৰ, ১০ এপ্ৰিল, ২০২৪ ■ Asom Aditya, Dibrugarh, Wednesday, April 10, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত


## সফলতাৰ বাবে এশ শতাংশ আত্মনিয়োগৰ প্ৰয়োজন ঃ ড° দাস

### কানৈ মহাবিদ্যালয়ত বিশিষ্ট সাংবাদিকৰে অন্তৰংগ আলাপ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৯ এপ্ৰিল ঃ** মানুহে জীৱনত ভাগ্যক ধিয়াই থাকি সফলতা লাভ কৰিব নোৱাৰে। সফলতা লাভ কৰিবলৈ হ'লে এশ শতাংশ পৰিশ্ৰম, চেষ্টা আৰু সাধনাৰ প্ৰয়োজন। জীৱনত সেইসকল মানুহ সফল হ'ব পাৰে যিসকলে ভাগৰ, পৰিশ্ৰমক জীৱনৰ অন্যতম কৰ্তব্য আৰু উদ্দেশ্য বুলি অনুভৱ কৰে। অসমৰ জনপ্ৰিয় চেটেলাইট চেনেল ডি ৱাই-৩৬৫ ৰ কাৰ্যবাহী সম্পাদক, বিশিষ্ট সাংবাদিক, লেখক ড০ কুমুদ দাসে এইদৰে কয়। কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসৰ আবাসীসকলৰ স'তে হোৱা এক অন্তৰংগ আলাপত তেওঁ কয়— যেতিয়া কোনো এটা কামত এশ শতাংশ আত্মনিয়োগ কৰা নহয়, তেতিয়া মানুহৰ ভাগৰ লাগে। যদিহে মনে-প্ৰাণে এশ শতাংশ কৰিব লগা কামটোত মনোযোগ দিয়ে, তেতিয়া কেতিয়াও ভাগৰ নালাগে। তেওঁ কয়— ভাগৰ মানে পৰিশ্ৰম কৰি ভাগৰি যোৱা প্ৰসংগক তেওঁ উল্লেখ কৰা নাই। জীৱনৰ লক্ষ্যত উপনীত হোৱা যাত্ৰাৰ প্ৰসংগতহে ভাগৰৰ কথা কোৱা হৈছে। তেওঁ কয় যে জীৱনত সফল হ'বলৈ হ'লে যিটো কাম কৰাৰ লক্ষ্য বান্ধি লোৱা হয় সেই লক্ষ্য অভিমুখে নিৰলসভাৱে আগুৱাই গ'লে মানুহৰ কেতিয়াও আমনি নালাগে। আলাপত তেওঁ অতি সুন্দৰ আৰু মননশীলভাৱে ব্যাখ্যা আগবঢ়াই কয়— কিছুমান মানুহ আছে যিসকলে জীৱনটোক সহজভাৱে গ্ৰহণ কৰে আৰু কৰিবলগা কাম এটা এতিয়া নকৰিলেও হয় বুলি মনৰ মাজলৈ আনে। আজি নকৰো কাইলৈ কৰিম বুলি ভাবি থকা মানুহসকলে জীৱনত কেতিয়াও সফল হ'ব নোৱাৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াৰ মহাবিদ্যালয়খনৰ প্ৰতি থকা মৰম আৰু ভালপোৱাক কৃতজ্ঞতা জনাই তেওঁ কয় যে চৰকাৰী শিক্ষানুষ্ঠান মানেই লেতেৰা-পেতেৰা ভাব এটা মনলৈ আহে। কিন্তু কানৈ মহাবিদ্যালয়ৰ চৌহদলৈ আহি তেনেভাৱ মনলৈ অহা নাই বুলি উল্লেখ কৰি কয়— কানৈ মহাবিদ্যালয় অতি পৰিষ্কাৰ মহাবিদ্যালয়। গোটেই চৌহদটোতে প্ৰৱেশ কৰিলে এক ইতিবাচক পৰিৱেশ মনলৈ আহে বুলিও তেওঁ কয়। ড০ দাসে মহাবিদ্যালয়খনত নিজৰ ঘৰৰ আপোন অনুষ্ঠান হিচাপে গ্ৰহণ কৰি মহাবিদ্যালয়খনক ৰাষ্ট্ৰিসংঘৰ মজিয়ালৈ লৈ যোৱা বাবে অধ্যক্ষগৰাকীক ভূঁয়সী প্ৰশংসা কৰে। অনুষ্ঠানত ছাত্ৰীনিবাসৰ আবাসীসকলে গীত, কবিতাৰ লগতে তেওঁলোকৰ মনৰ মাজত উদয় হোৱা কেইবাটাও প্ৰশ্ন উত্থাপন কৰে। প্ৰশ্নসমূহৰ যথাযথভাৱে উত্তৰ দিয়ে বিশিষ্ট সাংবাদিকগৰাকীয়ে। ইয়াৰ পূৰ্বে আবাসীসকলে ড০ দাসক মহাবিদ্যালয়ৰ মূল প্ৰৱেশদ্বাৰৰ পৰা আৰতিৰে আদৰ-সাদৰ কৰি আদৰি আনে। অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই সাংবাদিকগৰাকীক অতি ব্যস্ততাৰ মাজতো মহাবিদ্যালয়খনলৈ আহি শিক্ষাৰ্থীসকলৰ স'তে জীৱনৰ সফলতা-বিফলতা তথা অনেক গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত অন্তৰংগ আলাপত ভাগ লোৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত ছাত্ৰীনিবাসৰ অধীক্ষিকা উৰ্মিলা ৰামচিয়াৰী, অধ্যাপক ড০ জ্যোতি প্ৰসাদ ফুকন আৰু জ্যোতি শইকীয়া উপস্থিত থাকে। শেষত শলাগৰ শৰাই আগবঢ়াই চয়নিকা গগৈয়ে।

